# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-11-2024
**Time :** 1715 Hrs

## ***Assamese Evening Bulletin***

***- - - - - - - - - - - - -***

ooooo

কাইলৈ পুৱা পাঁচ বজাৰ পৰা ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। বিয়লি ৫ বজালৈকে চলিবলগীয়া এই ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ভোটগ্ৰহণকাৰী দলসমূহ ইতিমধ্যে নিজ নিজ ভোটগ্ৰহেণ কেন্দ্ৰত উপস্থিত হৈছে। নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সময়ত ব্যাপক হিংসাত্মক ঘটনা সংঘটি হোৱা চামগুৰি বিধানসভা সমষ্টিৰ আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰতে সশস্ত্ৰ নিৰাপত্তাৰক্ষী নিযুক্ত কৰা হৈছে। স্পৰ্শকাতৰ বুলি চিহ্নিত আন চাৰিটা সমষ্টিৰো ভোটগ্ৰহণ কেন্দ্ৰসমূহত সশস্ত্ৰ নিৰাপত্তা বাহিনী নিয়োগ কৰা হৈছে। ইয়াৰ উপৰি নিৰ্বাচন নিৰ্বিঘ্নে অনুষ্ঠিত কৰাৰ বাবে ভ্ৰাম্যমাণ আৰক্ষী আৰু নিৰাপত্তা বাহিনীয়ে ভোটগ্ৰহণ কেন্দ্ৰসমূহত তহল দিব।

চিদলী, বঙাইগাঁও, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিত মুঠ এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে চিদলীত ২৭৩টা, বঙাইগাঁৱত ২৪৬টা, চামগুৰিত ১৯৭টা, বিহালীত ১৫৪টা আৰু ধলাইত ২০৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। সমষ্টিকেইটাৰ উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিত ১১ গৰাকী, চিদলীত ৩ গৰাকী, বিহালীত ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিত ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। এই উপ-নিৰ্বাচনত ৯ লাখ ১২ হাজাৰৰো অধিকসংখ্যক ভোটদাতাই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এইসকলৰ মাজত পুৰুষ ভোটদাতাৰ সংখ্যা ৪ লাখ ৫৫ হাজাৰ ১২৪ আৰু মহিলা ভোটদাতাৰ সংখ্যা ৪ লাখ ৫৬ হাজাৰ ৮৮২ হোৱাৰ বিপৰীতে ১৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। উপ-নিৰ্বাচন হ'বলগীয়া আটাইকেইটা সমষ্টিতে এইবাৰ শাসকীয় বিজেপি, অসম গণ পৰিষদ, ইউ পি পি এল মিত্ৰজোঁট আৰু কংগ্ৰেছৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে।

ooooo

গোৱালপাৰা সৈনিক স্কুলৰ হীৰক জয়ন্তীৰ বছৰজোৰা কাৰ্যসূচীৰ আজি সামৰণি পৰে। আজিৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য মুখ্য অতিথি হিচাপে উপস্থিত থাকি সৈনিক স্কুলৰ স্মৃতি সৌধৰ শুভ উদ্বোধন কৰাৰ লগতে মুকলি সভাত অংশগ্ৰহণ কৰে। মুকলি সভাত তেওঁ কয়, যে সৈনিক স্কুল গোৱালপাৰাই সৈন্য বাহিনীক শক্তিশালী কৰাত যথেষ্ট অৰিহণা যোগাই আহিছে। একেদৰে শিক্ষানুষ্ঠানখনৰ পৰা শিক্ষা সমাপ্ত কৰি নতুন প্ৰজন্মই বিভিন্ন ক্ষেত্ৰত কাম কৰি প্ৰধানমন্ত্ৰীৰ **এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ** সপোন বাস্তৱায়িত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

**বাইট (লক্ষ্মণ প্ৰসাদ আচাৰ্য)**

আজিৰ অনুষ্ঠান উপলক্ষে অস্ত্ৰ আৰু বেণ্ড প্ৰদৰ্শন, সৈন্য বাহিনীৰ দ্বাৰা ডগ শ্ব', লেজাৰ শ্ব', আতচবাজী প্ৰদৰ্শনৰ লগতে আন আন কাৰ্যসূচীৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে বিগত বৰ্ষৰ ১২ নৱেম্বৰৰ পৰা বিদ্যালয় কৰ্তৃপক্ষই ল'গ' প্ৰস্তুত কৰা, সৰ্বভাৰতীয় আন্তঃবিদ্যালয় কুইজ, সদৌ অসম ভিত্তিত অ'পেন এয়াৰ পিষ্টল আৰু এয়াৰ ৰাইফল শ্যুটিং আদি প্ৰতিযোগিতাৰ লগতে আলোচনাচক্ৰ, ৰক্তদান শিবিৰ, গছপুলি ৰোপণ, সাংস্কৃতিক কাৰ্যসূচী আদি ৰূপায়ণ কৰি আহিছিল।

ooooo

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে আজি গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডে আয়োজন কৰা পানীৰ উৎসৰ ব্যৱস্থাপনা সম্পৰ্কীয় দুদিনীয়া কৰ্মশালা মুকলি কৰে। কৰ্মশালাখন মুকলি কৰি দিয়া ভাষণত শ্ৰী পাটিলে কয়, যে ভাৰতৰ অৰ্থনীতি জলসম্পদৰ ওপৰত নিৰ্ভৰশীল আৰু জলাশয়সমূহক পুনৰুজ্জীৱিত কৰি তোলা অতি প্ৰয়োজন। মন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয়, যে বহনক্ষম জলসম্পদৰ অবিহনে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'ব পৰা নাযাব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বান নিয়ন্ত্ৰণ আৰু নদী ব্যৱস্থাপনা সম্পৰ্কত নীতি আৰু কৌশলসমূহ উন্নত কৰি তোলা বিষয়ক লৈ আলোচনা কৰা হয়। এই বৈঠকত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগতে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে।

ooooo

শোণিতপুৰ জিলাৰ তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীৰ বাবে কাৰ্যালয় ব্যৱস্থা, বিত্ত আৰু একাউণ্ট সম্পৰ্কীয় বিষয়ত বিশেষ কাৰ্যসূচী আজি আৰম্ভ হৈছে। অসম প্ৰশাসনিক কৰ্মচাৰী মহাবিদ্যালয় আৰু জিলা প্ৰশাসনৰ সহযোগত আয়োজিত এই চাৰিদিনীয়া কাৰ্যসূচী জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি উদ্বোধন কৰা হয়। উদ্বোধনী ভাষণত জিলা আয়ুক্তগৰাকীয়ে এই প্ৰশিক্ষণৰ গুৰুত্বৰ কথা উল্লেখ কৰি অংশগ্ৰহণকাৰী সকলক এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ বাবে উৎসাহিত কৰে। তেওঁ কয় যে কাৰ্য সাধনৰ মুখ্য বিষয়বোৰ বুজিলে জনসাধাৰণৰ প্ৰতি সেৱা আৰু অধিক উন্নত হ'ব। জিলা আয়ুক্তগৰাকীয়ে অনলাইন পৰিসৰ বিশেষকৈ আৰ টি পি এছ প'ৰ্টেলৰ নিয়ম-কানুনৰ প্ৰতি সজাগতাত গুৰুত্ব আৰোপ কৰে। এই প্ৰশিক্ষণ কাৰ্যসূচী তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'ব। প্ৰতিটো পৰ্যায়ত প্ৰায় ৫০ গৰাকী কৰ্মচাৰীয়ে জিলা আয়ুক্ত কাৰ্যালয় আৰু জিলাৰ বিভিন্ন বিভাগৰ পৰা অংশগ্ৰহণ কৰিব।

ooooo

সমাপ্ত